No. of Printed Pages—3

**369 (ASM)**

**[ 17–HRGPKAC–D1S ]**

**BA/BMC 1st Semester Exam., 2017**

ASSAMESE

( Modern Indian Language )

**[ BAS 01 ]**

**( অসমীয়া কবিতা, নাটক আৰু ব্যাকৰণ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক (এটা বা দুটা বাক্যৰ ভিতৰত) : 1×8=8

(a) বৰগীতৰ 'বিষয়বস্তুৰ সংৰক্ষণশীলতা' বুলি ক'লে আপুনি কি বুজে?

(b) 'বেলাড' বুলি ক'লে কি বুজা যায়?

(c) কোনখন কাকতত, কোন চনত দেৱকান্ত বৰুৱাই কবি হিচাপে আত্মপ্ৰকাশ কৰিছিল?

(d) দেৱকান্ত বৰুৱাই সম্পাদনাৰ ভাৰ গ্ৰহণ কৰা কাকতকেইখনৰ নাম লিখক।

(e) 'মনোৰমা' কবিতাটিত কবিয়ে কিমানবাৰ এই শব্দটো ব্যৱহাৰ কৰিছে?

(f) অসমীয়া কাব্য-সাহিত্যলৈ আধুনিকতাৰ আগমন ঘটোৱাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা কাকতকেইখনৰ নাম লিখক।

(g) বিস্তৃত মঞ্চ নিৰ্দেশনা সন্নিৱিষ্ট কৰাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাই কাৰ পৰা আৰ্হি গ্ৰহণ কৰিছিল বুলি ঠাৱৰ কৰা হয়?

(h) নাটকত ব্যৱহৃত গীতসমূহক সাধাৰণতে কেইটা আৰু কি কি ভাগত ভাগ কৰা হয়?

**2.** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×8=16

*(a)* আলোচকসকলে বৰগীতসমূহক বিষয়বস্তু অনুসৰি কেইটা আৰু কি কি ভাগত ভাগ কৰিছে?

*(b)* ‘‘কহয় মাধৱ মাই কিনো তপসাইলা।
ত্ৰিজগতৰ পতি হৰি ৰাখোৱাল পাইলা॥’’

পদফাঁকিৰ অন্তৰ্নিহিত তাৎপৰ্য বিচাৰ কৰক।

*(c)* দেৱকান্ত বৰুৱাক ‘যুগসন্ধিৰ কবি’ বুলি কিয় আখ্যা দিয়া হয়? বুজাই লিখক।

*(d)* নৰকান্ত বৰুৱাই ৰচনা কৰা আঠখন কাব্যগ্ৰন্থৰ নাম প্ৰকাশৰ চনসহ লিখক।

*(e)* অংকীয়া নাট বুলিলে কি বুজে? চমুকৈ লিখক।

*(f)* অংকীয়া নাটৰ গদ্যশৈলী সম্পৰ্কে চমুকৈ লিখক।

*(g)* ‘‘জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকসমূহত প্ৰেমে এক বিশেষ স্থান অধিকাৰ কৰি আছে।’’ কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰক।

*(h)* ‘ শূন্য (০) বিভক্তি’ মানে কি?

**3.** তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×5=20

*(a)* ‘তেজৰে কমলাপতি’ বৰগীতটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

*(b)* প্ৰসংগ-সংগতিসহ ব্যাখ্যা কৰক :

‘‘শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।
ব্ৰজ বধূ দধি মথে তুৱা গুণ গাই॥’’

*(c)* ‘তেজীমলা’ কবিতাটিক কৃত্ৰিম বেলাড বুলি ক’ব পাৰিনে? যুক্তিসহ প্ৰতিপন্ন কৰক।

*(d)* ‘কালিয় দমন’ নাটৰ কালিনাগ চৰিত্ৰটোৰ বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

*(e)* ‘শোণিত কুঁৱৰী’ নাটকখনৰ সংলাপৰ গুৰুত্ব নিৰূপণ কৰক।

*(f)* উপসৰ্গ কাক বোলে? অসমীয়া ভাষাৰ উপসৰ্গ সম্পৰ্কে বহলাই আলোচনা কৰক।

**4.** তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×2=16

(a) এটি সাৰ্থক ৰমণ্যাসিক কবিতা হিচাপে 'তেজীমলা' কবিতাটি বিচাৰ কৰক।

(b) ''দেৱকান্ত বৰুৱাৰ কবিতাত দেহজ বা ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ চিত্ৰ অংকিত হয়।'' 'মনোৰমা' কবিতাটিৰ আধাৰত কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰক।

(c) প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাৰ প্ৰত্যয়ৰ শ্ৰেণীবিভাগ সম্পৰ্কে উল্লেখ কৰি বিভক্তিৰ সৈতে ইয়াৰ পাৰ্থক্য ক'ত ক'ত ৰক্ষিত হৈছে, বুজাই লিখক।

**5.** তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৪০০ শব্দৰ ভিতৰত) : 10×2=20

(a) 'ইয়াত নদী আছিল' কবিতাটোৰ বিষয়বস্তুৰ আভাস দাঙি ধৰি আধুনিকতাৰ কোনবোৰ বৈশিষ্ট্য ইয়াত প্ৰতিফলিত হৈছে, বিচাৰ কৰক।

(b) 'কালিয় দমন' নাটখনৰ আধাৰত অংকীয়া নাটৰ ৰস সম্পৰ্কে উদাহৰণসহ এটি নিবন্ধ যুগুত কৰক।

(c) অসমীয়া নাট্য-সাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

★ ★ ★